**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-04-2025 **Time :** 0755 Hrs.

## Assamese Morning Bulletin

সমাগত পঞ্চায়ত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া কোনো প্ৰাৰ্থীয়ে ফৌজদাৰী গোচৰত অভিযুক্ত হ'ব নোৱাৰিব বুলি শেহতীয়াকৈ ৰাজ্যিক নিৰ্বাচন আয়োগে জাৰি কৰা অধিসূচনাত উল্লেখ কৰিছে। কোনো প্ৰাৰ্থীৰ বিৰুদ্ধে দুবছৰ বা ততোধিক কাৰাবাস খাটিব লগীয়া কোনো অভিযোগ থাকিব নোৱাৰিব বুলিও অধিসূচনাত কোৱা হৈছে। তদুপৰি লোকসভা আৰু বিধানসভা নিৰ্বাচনৰ দৰে পঞ্চায়ত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীয়েও নিজৰ স্থাৱৰ, অস্থাৱৰ সম্পত্তিৰ হিচাপ দাখিল কৰিব লাগিব। পঞ্চায়ত নিৰ্বাচনৰ প্ৰাৰ্থীৰ অৰ্হতা সন্দৰ্ভত শেহতীয়াকৈ নিৰ্বাচন আয়োগে অধিসূচনা জাৰি কৰিছিল। এই অনুসৰি মনোনয়ন পত্ৰ দাখিলৰ সময়ত প্ৰাৰ্থীসকলে নিজৰ সম্পত্তিৰ হিচাপৰ শপতনামা জমা দিব লাগিব। কোনো প্ৰাৰ্থী বা প্ৰাৰ্থীগৰাকীৰ পত্নীয়ে বাল্য বিবাহ আইন, ২০০৬ ভংগ কৰিব নোৱাৰিব। একেদৰে এই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ বিচৰা প্ৰাৰ্থীৰ বয়স ২১ বছৰৰ তলত হ'ব নোৱাৰিব বুলিও কোৱা হৈছে।

০০০০০০০

যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকা গৃহত শনিবাৰৰ পৰা অনুষ্ঠিত দ্বিতীয় বাৰ্ষিক যোৰহাট সাহিত্য উৎসৱৰ কালি সামৰণি পৰে। কালি সামৰণি অনুষ্ঠানত বিশিষ্ট ঔপন্যাসিক অৰূপা পতংগীয়া কলিতাই সাহিত্য আৰু জীৱন বিষয়ত ভাষণ দিয়ে। নিজৰ ভাষণত তেওঁ নীৰৱে আৰু গভীৰভাৱে সাহিত্যই সমাজ সলনি কৰে বুলি মন্তব্য কৰে। মানুহৰ মাজৰ পৰা উঠি অহা সাহিত্যই সমাজ সলনি কৰে বুলিও তেওঁ মন্তব্য কৰে। বক্তৃতানুষ্ঠানটো উদ্বোধন কৰি যোৰহাটৰ বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামীয়ে মানৱ সভ্যতাৰ উত্তৰণ বিজ্ঞান আৰু প্ৰযুক্তিৰ সমানেই সাহিত্যৰো অৰিহণা আছে বুলি মন্তব্য কৰে। কালিৰ অনুষ্ঠানত যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, বিশিষ্ট লেখিকা ড° অঞ্জনা চলিহাক যোৰহাট প্ৰজ্ঞাৰত্ন সন্মান, ২০২৫ প্ৰদান কৰা হয়। একেদৰে শিৱসাগৰৰ নামতিৰ ছহিদ পিয়লিফুকন মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক, জনগোষ্ঠীয় ভাষাৰ গৱেষক ড° মৌচুমী ৰেখা খাউণ্ড আৰু মঙলদৈ নিবাসী শিক্ষয়িত্ৰী, ঔপন্যাসিক, অনুবাদক কলচুম বিবিক যোৰহাট সাহিত্য বঁটা আগবঢ়োৱা হয়। এই অনুষ্ঠানতে ঔপন্যাসিক জ্যোতি ৰঞ্জন শইকীয়াক সম্ভাৱনা বঁটা, ২০২৫ প্ৰদান কৰা হয়। ইয়াৰ পূৰ্বে কালি পুৱাৰ ভাগত 'নতুন লেখকৰ সমস্যা আৰু নিৰাময়ৰ উপায়' শীৰ্ষক এটা ব্যতিক্ৰমী অনুষ্ঠান আৰু দিনৰ ভাগত বিপুল ৰেগনৰ সোঁৱৰণত কবিতাৰ পঠন আৰু পৰ্যালোচনা শীৰ্ষক গাম্ভীৰ্য্যপূৰ্ণ অনুষ্ঠানৰ আয়োজন কৰা হয়।

০০০০০০

মাজুলী মহাবিদ্যালয়ত আজিৰে পৰা চাৰিদিনীয়াকৈ দ্বিতীয় মাজুলী মহাবিদ্যালয় গ্ৰন্থমেলাৰ আয়োজন কৰা হৈছে। 'কিতাপ চাওঁক, কিতাপ লওঁক, কিতাপ পঢ়ক' বিষয়বস্তুৰে আয়োজিত এই গ্ৰন্থমেলাত ৰাজ্যৰ কেইবাটাও আগশাৰীৰ প্ৰকাশন প্ৰতিষ্ঠানে অংশ লৈছে। আজি পুৱা উত্তৰ কমলাবাৰী সত্ৰৰ বৈষ্ণৱ পদ্মশ্ৰী সন্মানেৰে সন্মানিত

গোপীৰাম বৰগায়ন বুঢ়া ভকত আতাই বন্তি প্ৰজ্বলন কৰাৰ পাছতে অসম সাহিত্য সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে গ্ৰন্থমেলাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব।

০০০০০০০

গোলাঘট নগৰৰ সমন্বয় ক্ষেত্ৰত তিনি দিনীয়াকৈ অনুষ্ঠিত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ একবিংশতিম দ্বিবাৰ্ষিক কেন্দ্ৰীয় অধিৱেশনৰ কালি সামৰণি পৰে। কালি অধিৱেশনৰ অন্তিম দিনা অনুষ্ঠিত বিষয় বাচনি সভাত সংগঠনটোৰ বৰ্তমানৰ সভাপতি পলাশ চাংমাই পুনৰ বিনা প্ৰতিদ্বন্দ্বিতাৰে সভাপতি নিৰ্বাচিত হয়। সাধাৰণ সম্পাদক পদৰ বাবে অনুষ্ঠিত ভোটত বিজন বায়ন নিৰ্বাচিত হয়।

০০০০০

ধেমাজি জিলাৰ চমৰাজানত অনুষ্ঠিত সদৌ চুতীয়া জাতি সন্মিলনৰ জিলা পৰ্যায়ৰ শতবাৰ্ষিকী সমাৰোহৰ কালি সামৰণি পৰে। কালি মুকলি সভাত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। মুকলি সভাতে 'বৈধৰ্ভী' শীৰ্ষক স্মৃতিগ্ৰন্থখন উন্মোচন কৰা হয়। এই অনুষ্ঠানতে ৯ গৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ আগেয়ে পানীতোলা স্বৰ্ণজ্যোতি হাইস্কুল খেলপথাৰৰ সাধনী মহাক্ষেত্ৰৰ পৰা বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। সদৌ ধেমাজি জিলা চুতীয়া জাতি সন্মিলনৰ উদ্যোগত এই শতবাৰ্ষিকী সমাৰোহ অনুষ্ঠিত হয়।

০০০০০০০

অসম নাট্য সন্মিলনে অহা ১৮ এপ্ৰিলৰ পৰা হোজাইত তিনিদিনীয়াকৈ দ্বিভাষিক নাট সমাৰোহৰ আয়োজন কৰিছে। এই সমাৰোহত প্ৰথমবাৰৰ বাবে অসমীয়া আৰু বাংলা ভাষাত চাৰিখন নাটক মঞ্চস্থ কৰা হ'ব। গুৱাহাটীৰ ড্ৰামাটিক ছ'চাইটী, তেজপুৰৰ ঐতিহাসিক বান মঞ্চ আৰু লামডিঙৰ আনন্দম ড্ৰামা গোষ্ঠীয়ে এই সমাৰোহত অংশগ্ৰহণ কৰিব। হোজাই সাহিত্য সভাৰ সাহিত্যৰথী বেজবৰুৱা ভৱনত অনুষ্ঠিত এখন সংবাদমেলত হোজাই সাহিত্য সভাৰ প্ৰতিনিধিয়ে এই কথা সদৰি কৰে।

০০০০০

আলফা স্বাধীনৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত আৰক্ষীয়ে বিশেষ সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে গুৱাহাটী মহানগৰীৰ বিভিন্ন স্থানত বোমা স্কোৱাড, ডগ স্কোৱাডৰ দলে অভিযান চলাই কটকটীয়া নিৰাপত্তা বেষ্টনী গঢ়ি তুলিছে। প্ৰতিষ্ঠা দিৱসৰ সময়ত অসম, অৰুণাচল সীমান্তত আলফা স্বাধীনে কূটাঘাটমূলক কাৰ্য সংঘটিত কৰাৰ বাবে চেষ্টা চলোৱা বুলি অসম আৰক্ষীৰ চোৰাংচোৱাই গৃহ বিভাগক ইতিমধ্যে সতৰ্ক কৰি দিছে। সেয়ে সীমান্তৱৰ্তী অঞ্চলত আৰক্ষীয়ে নিছিদ্ৰ নিৰাপত্তা ব্যৱস্থা গঢ়ি তুলিছে। উজনি অসমৰ বিভিন্ন স্থানতো সংগঠনটোৱে যাতে কোনো ধৰণৰ কূটঘাটমূলক ঘটনা সংঘটিত কৰিব নোৱাৰে তাৰ বাবে আৰক্ষী সন্তম হৈ পৰিছে।

০০০০০০০

**সমাপ্ত**